চেপ্তেম্বৰ ০৯,২০১৩

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী শ্ৰী চালমান খুৰছিদে ৮ ৰ পৰা ১০ চেপ্তেম্বৰ ২০১৩ লৈ লাও পিডিআৰ (PDR) ভ্ৰমণ কৰে ।তেওঁ ৯ চেপ্তেম্বৰ ২০১৩ তাৰিখে লাও পিডিআৰৰ ডেপুটি প্ৰধান মন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড;থংল'ন চিচৌলিথ (Dr.Thongloun Sisoulith)ৰ সৈতে লাও পিডিআৰৰ ভিনটাইনত দুয়োখন দেশৰ দ্বিপাক্ষীক সহযোগিতাৰ সন্দৰ্ভত সপ্তম লানি লাও-ভাৰত যুটিয়া আয়োগৰ বৈঠক অনুষ্ঠিত কৰে ।তেওঁ ১০ চেপ্তেম্বৰ ২০১৩ তাৰিখে ৰাষ্ট্ৰপতি শ্ৰী চৌম্মালি চায়াচোন (Mr.Choummaly Sayasone)আৰু প্ৰধান মন্ত্ৰী শ্ৰী থংচিঙ থাম্মাভঙক (Mr.Thongsing Thammavong)সাক্ষাৎ কৰিব । সেই দিনাই বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গৰাকীয়ে আছিয়ান-ভাৰত থিংক টেঙ্ক (Think Tanks)নেটৱৰ্কৰ দ্বিতীয়খন ঘূৰণীয়া মেজমেল উদ্বোধন কৰিব ।

লাও পিডিআৰৰ তিনিটা অঞ্চলৰ জলসিঞ্চন প্ৰকল্পৰ বাবে ৩০.৯৪ মিলিয়ন ইউ.এচ ডলাৰৰ ঋৃন চুক্তি এখন স্বাক্ষৰিত কৰা হয় । তাৰোপৰি নাম বাউন-২ জলবিদ্যুৎ প্ৰকল্পৰ বাবে অনুমোদিত ৩৫.২৫ মিলিয়ন ইউ.এচ ডলাৰ ঋৃন চুক্তিৰ পুজিঁ উক্ত জলবিদ্যুৎ প্ৰকল্পটোৰ পৰিবৰ্তে থাছালা-লাকচাওলৈ বিদ্যুৎ সৰবৰাহৰ উদ্দেশ্যে ব্যৱহৃত কৰাৰ বাবে মঞ্জুৰি প্ৰদান কৰা হয় ।উক্ত প্ৰকল্প সমুহে লাও পিডিআৰৰ আৰ্থ-সামাজিক দিশত উন্নয়নত যেথষ্ট অৱদান আগৱঢ়াব ।

যুটিয়া আয়োগৰ বৈঠকত দুয়োগৰাকী মন্ত্ৰীয়ে দুয়োদেশৰ মাজৰ দ্বিপাক্ষীক সম্পৰ্ক উন্নত হোৱা বিষয়টোত সন্তোষ্টি প্ৰকাশ কৰে আৰু উল্লেখ কৰা যে শেহতীয়া বছৰবেৰত দুয়োদেশৰ মিলিত লাভালাভৰ লক্ষ্যৰে দুয়োদেশৰ মাজৰ অংশিদাৰ আৰু সহযোগিতা ক্ষীপ্ৰতাৰে সম্প্ৰসাৰিত হৈছে ।জল সঞ্চালন আৰু জলসিঞ্চন,বিদ্যুৎ উৎপাদন আৰু সৰবৰাহ আৰু য্যাগ্যতা নিৰ্মানৰ (capacity building)ক্ষেত্ৰত ভাৰতে সদায়েই দেশ খনক সাহাৰ্য্য আগবঢ়াব বুলি দোহাৰে ।আমাৰ কোমল ঋৃন আৰু অনুদান গৃহিতপ্ৰকল্প প্ৰকল্প সমুহে লাওত ভাৰত আৰু ভাৰতীয় দ্ৰব্যসমুহৰ প্ৰকাশ্য (visibility)অধিক উন্নত কৰিছে ।

কৃষি, সুৰক্ষা,আই.চি.টি(ICT) সংস্কৃতি,শিক্ষা,স্বাস্থ্য,বানিজ্য আৰু বিনিয়োগ উন্নত,খনি ক্ষেত্ৰসমূহত দুয়োদেশৰ মাজৰ সহযোগিতাই দ্বিপিক্ষীক সম্পৰ্কক অধিক টনকিয়াল কৰাৰ দিশত অধিক অৰিহনা যোগাব পাৰিব বুলি মন্ত্ৰী দুয়োগৰাকীয়ে চিনাক্ত কৰিছে ।

দুয়োদেশৰ বাবে মিলিত ভাৱে গুৰুত্ব পোৱা বিস্তৃত পৰিসৰৰ দ্বিপাক্ষীক,আঞ্চলিক আৰু আন্তৰ্জাতিক বিষয়সমূহৰ সন্দৰ্ভত দুয়োগৰাকী মন্ত্ৰীয়ে মতবিনিময় কৰে । আছিয়ানৰ EAN)যোগাযোগ বহুমুখীয়া বিষয়সমুহ অধিক শক্তিশালি কৰাৰ বাবে দুয়োগৰাকী মন্ত্ৰীয়ে সিদ্ধান্ত কৰে ।আন্তৰ্জাতিক বিশেষজ্ঞৰ কেন্দ্ৰ স্বৰূপ নালন্দা বিশ্ববিদ্যালয়ৰ বাবে লাওয়ে বিত্তীয় সাহাৰ্য্য আগৰঢ়াই ।ভাৰতক ইউ. এন(UN)আৰু অন্যান্য বহুমুখীয়া বিষয়সমুহত সদায় সমৰ্থন আগবঢ়াব বুলি পুনৰ প্ৰতিশ্ৰুতি দিয়ে ।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গৰাকীয়ে লাও পিডিআৰৰবিদেস মন্ত্ৰী গৰাকীক যুটিয়া আয়োগৰ পৰবৰ্তী বৈঠকৰ বাবে ভাৰতলৈ আমন্ত্ৰন কৰে ।

ভিয়েনটাইন

চেপ্তেম্বৰ৯,২০১৩